# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date : 31-12-2025**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

ইংৰাজী ২০২৫ বৰ্ষৰ আজি অন্তিম দিন। কাইলৈ নতুন সম্ভাৱনা লৈ এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু উত্থান-পতন আৰু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ ৰোৱা ২০২৫ বছৰটোৱে অসমবাসীলৈ ভালেমান সুখ আৰু দুখৰ সংবাদ লৈ আহিছিল। এনে প্ৰত্যাহ্বান নেওচিও জনসাধাৰণে নতুন সময়ক আদৰাৰ বাবে প্ৰস্তুতি চলাইছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৱবৰ্ষক আদৰাৰ বাবে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বছৰৰ অন্তিম দিনা বনভোজস্থলীসমূহতো যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ সমীপৰ চন্দ্ৰপুৰ, ৰাণী, টেঘেৰিয়া, পানীখাইতি, হাতীশিলাকে ধৰি বিভিন্ন অঞ্চলত আজি পুৱাতেই অগণন লোক বনভোজৰ আনন্দ উপভোগৰ বাবে সমবেত হৈছে। বৰপেটা জিলাৰ বাঘবৰৰ ব্ৰহ্মপুত্ৰৰ বালিচৰ, সৰভোগৰ বেঁকী নদীৰ বালিচৰকে ধৰি বিভিন্ন বনভোজস্থলীত আজি যথেষ্ট লোকৰ সমাগম হয়। নৱবৰ্ষৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নৱবৰ্ষৰ লগতে বৰ্তমানৰ বনভোজৰ বতৰত সঘনে হোৱা পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ আৰক্ষী আৰু পৰিবহণ বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত নিৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

আধুনিক অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠ সৌৰভ কুমাৰ চলিহাৰ চৰ্চাৰ উদ্দেশ্যে বিগত বছৰবোৰৰ দৰে সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজৰ উদ্যোগত কাইলৈৰ দিনটো ভাল খবৰৰ দিন ৰূপে উদ্‌যাপন কৰা হ'ব। কাইলৈ বিয়লি চাৰে তিনি বজাত কটন এলাম্‌নাই প্ৰেক্ষাগৃহত সৌৰভ কুমাৰ চলিহাৰ ৰচনা লোকবিশ্বাস আৰু ইন্দ্ৰিয়াতীৎ অভিজ্ঞতাৰ ছাঁ শীৰ্ষক এটি বিশেষ বক্তৃতা দিব বিশিষ্ট লেখক অভিযন্তা বিনয় মোহন শইকীয়াই। অনুষ্ঠানত সৌৰভ কুমাৰ চলিহাৰ **এটি নিৰ্বাচিত গল্প** পাঠ কৰিব আবৃতিকাৰ জোনাকংকন ভূঞাই আৰু **তৰুণ দৃষ্টিত সৌৰভ কুমাৰ চলিহা** শিতানত বক্তব্য আগবঢ়াব বিশিষ্ট গল্পকাৰ ডাঃ নমিতা বৈশ্য।

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে যোড়শ চানডুবি মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হয়। কাইলৈ পুৱা ৮ বজাত এই মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ২ জানুৱাৰীত সাংস্কৃতিক কাৰ্যসূচী আৰু ৩ জানুৱাৰীত জনজাতি সমাজৰ পৰম্পৰা আৰু ৰীতি-নীতি বিষয়ত আলোচনাসত্ৰ অনুষ্ঠিত হ'ব।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰে পৰা ৪ জানুৱাৰীলৈকে কলাক্ষেত্ৰ ৰামধেনু উৎসৱ, ২০২৬ আয়োজন কৰা হৈছে। উৎসৱৰ সৈতে সংগতি ৰাখি নিভাজ অসমীয়া গাওঁৰ চানেকিৰে আমাৰ গাওঁ শীৰ্ষক প্ৰদৰ্শনী আৰু বৰ্ণিল ছন্দ শীৰ্ষক চিত্ৰ ভাস্কৰ্য্য প্ৰদৰ্শনীৰও আয়োজন কৰা হৈছে। বিয়লি শিল্পী তোমাক প্ৰণাম অনুষ্ঠানৰ জৰিয়তে ন-পুৰণি শিল্পী সকলে প্ৰয়াত শিল্পী ড০ ভূপেন হাজৰিকা, ছৈয়দ চাদুল্লা, হেমন্ত দত্ত, ৰামচৰণ ভৰালী, জুবিন গাৰ্গ আৰু দীপক শৰ্মালৈ শ্ৰদ্ধাঞ্জলি জনোৱা হব। কাইলৈ সন্ধিয়া দিছপুৰ মহাবিদ্যালয়ৰ বিশেষ সাংস্কৃতিক অনুষ্ঠান অনুস্থিত হব।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত সংঘটিত হিংসাত্মক ঘটনাৰ তদন্তৰ দাবীৰে আজি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যক বিৰোধী দলসমূহৰ এটা সজাতিৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰে। কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেবব্ৰত শইকীয়াৰ নেতৃত্বাধীন দলটোৱে ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি খেৰণিত সংঘটিত হিংসাৰ বলি হোৱা লোকসকলক তৎকালীনভাৱে সাহায্য প্ৰদানৰ দাবী উত্থাপন কৰে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলাৰ কাৰ্যালয়ৰ সভাকক্ষত আত্মনিৰ্ভৰ ধেমাজী মেলাৰ প্ৰস্তুতি সন্দৰ্ভত এক আলোচনাত মিলিত হয়। ক্ৰমাগতভাৱে পঞ্চমবাৰৰ বাবে আয়োজন কৰা এই মেলাখন ৯ পৰা ১২ জানুৱাৰীলৈ ধেমাজীৰ কছাৰী ময়দামত অনুষ্ঠিত হ'ব। এই পৰিপ্ৰেক্ষিতত যাৱতীয় প্ৰস্তুতি পৰ্যালোচনাৰ বাবে জিলাখনৰ আয়ুক্ত, জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰমুখ্যে বিভিন্ন বিভাগীয় বিষয়াসকলৰ সৈতে মন্ত্ৰী পেগুৱে বৈঠকত মিলিত হয়। তেওঁ লগতে ধেমাজীৰ কাৰেং চাপৰিত আজি উপস্থিত হৈ মিছিং যুৱ মহোৎসৱস্থলী পৰিদৰ্শন কৰে। অহা ১৫ জানুৱাৰীৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে কাৰেং চাপৰিত মিছিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত দেশৰ গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহৰ লগতে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা।

০০০০

**বিশ্বনাথ জিলাৰ গহপুৰত বছৰটোৰ অন্তিমটো দিনত আজি এবিধ দুষ্প্ৰাপ্য পক্ষী উদ্ধাৰ কৰা হয়। গহপুৰ সমজিলাৰ অন্তৰ্গত কলাবাৰী কোচগাওঁত দুষ্প্ৰাপ্য মনিয়ৰি চৰাই (** Oriental darter**) উদ্ধাৰ কৰা হয়। এই চৰাইবিধ** IUCN **ৰ তালিকাত 'সংকটাপন্ন' প্ৰজাতি হিচাপে চিহ্নিত বুলি জানিব পৰা গৈছে। বছৰটোৰ অন্তিমটো দিনত কলাবাৰীৰ কোচগাওঁৰ দশম শ্ৰেণীৰ ছাত্ৰ অৰ্পণ বৰুৱা আৰু নয়নমণি বৰাইদুষ্প্ৰাপ্য চৰাইবিধৰ উদ্ধাৰ কাৰ্য্যত ভাগ লয়। পাছত এই দুষ্প্ৰাপ্য চৰাই বিধ প্ৰকৃতিপ্ৰেমী বৃক্ষ মানৱ খ্যাত বকুল গগৈয়ে বন বিভাগক গতাই দিয়ে।**

০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ সাংবাদিক ত্ৰৈলোক্য দাসৰ আজি আবেলি দেহাৱসান ঘটে। চাবুৱাৰ চেতিয়াপথাৰ গাঁৱৰ পৰা এটা ব্যক্তিগত ছেটেলাইট চেনেলত নিষ্ঠা সহকাৰে সংবাদসেৱা আগবঢ়াই অহা দাসৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৯ বছৰ। বাতৰি সংগ্ৰহ কৰি থকা অৱস্থাত যোৱা সোমবাৰে তেওঁ উচ্চ ৰক্তচাপত আক্ৰান্ত

হোৱাত তেওঁক ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। মৃত্যুৰ সময়ত দাসে পত্নী, এজন পুত্ৰৰ লগতে আত্মীয় স্বজনক এৰি থৈ যায়। তেঁওৰ মৃত্যুত চাবুৱা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**